# কহিনুৰ

## কহিনুৰ জয়ন্তীৰ স্মৃতিগ্ৰন্থ, ২০২৪

## যোৰহাট মহাবিদ্যালয় (একত্ৰিত)




সম্পাদক

ড° দিগন্ত কুমাৰ ফুকন

Scanned with OKEN Scanner



## সম্পাদনা সমিতি ঃ

যোৰহাট মহাবিদ্যালয় (একত্ৰিত) মহাবিদ্যালয়ৰ মুখপত্ৰ

**মুখ্য উপদেষ্টা ঃ** ড° পৰাণ বৰুৱা, সভাপতি, যোৰহাট মহাবিদ্যালয় পৰিচালনা সমিতি
দ° দেৱব্ৰত শৰ্মা, অধ্যক্ষ, যোৰহাট মহাবিদ্যালয় (একত্ৰিত)

**উপদেষ্টা ঃ** উৎপল দত্ত, ৰূপালী বৰা, বৰ্ণালী শৰ্মা কটকী।

**সম্পাদক ঃ** ড° দিগন্ত কুমাৰ ফুকন

**সদস্য/সদস্যা ঃ** পংকজপাণি শইকীয়া, মণিষা দুৱৰা, ড° সৌমিত্ৰ পূজাৰী,
ড° জ্যোতিৰ্ময় বৰদলৈ, তৰুণ লইয়ং, ড° বিদ্যুৎ বৰা,
ড° ৰঞ্জিত ভট্টাচাৰ্য, ৰশ্মি দাস, ড° প্ৰশান্ত পূজাৰী, বিযুৱাত শৰ্মা।

প্ৰকাশক ঃ যোৰহাট মহাবিদ্যালয় (একত্ৰিত), যোৰহাট

প্ৰকাশ কাল ঃ ২০২৪ বৰ্ষ

**ISBN-978-81-962587-7-1**

মূল্য ঃ ৫০০.০০

বেটুপাত, **অলংকৰণ** ঃ ৰণ্জিত গগৈ

**বৰ্ণবিন্যাস** ঃ অমৰজ্যোতি বৰা, কৃষ্ণকান্ত বৰা, সুমিত্ৰা শইকীয়া,
সংগীতা দাস, অচ্যুৎ দত্ত, ললিত বৰা, নবজিৎ শইকীয়া, প্ৰবাল দত্ত. সমীক্ষা গগৈ,
ড° ইনী গগৈ, আৰংগণ ফুকন, কৃষ্ণা দাস, প্ৰিয়ম্বদা কাশ্যপ, ৰায়া ৰাণী বৰুৱা

**আৰ্হিপাঠ** ঃ হেমন্ত গগৈ, ড° চিত্ৰলেখা ফুকন, পংকজ ফুকন, দাদুল দেৱকৃষ্ণ
বৰুৱা, ড° মাধুৰ্য ফুকন, পংকজপাণি শইকীয়া, ড° জ্যোতিৰ্ময় বৰদলৈ, ড° ৰঞ্জিত
ভট্টাচাৰ্য, মণিষা দুৱৰা, ড° ইনী গগৈ, যাচিকা বৰুৱা

**মুদ্ৰণ** ঃ শব্দ প্ৰকাশ,থানা ৰোড, যোৰহাট-১
ম'বাইল-৯৮৫৪৩৫৪৮০২



Scanned with OKEN Scanner

যোৰহাট কলেজৰ 'অসমীয়া বিভাগ'
◆ গৌৰৱোজ্জ্বল যাঠি বছৰীয়া পৰিক্ৰমাত — ড° জ্যোতিৰ্ময় বৰদলৈ।। ২৮১
ৰাজনীতি বিজ্ঞান বিভাগৰ
হীৰাৱলী যাত্ৰাৰ চমু ইতিহাস — ৰূপালী বৰা।। ২৮৭
◆ যোৰহাট মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগ
অতীত আৰু বৰ্তমান — ড° মৌচুমী মহন্ত।। ২৯৫
◆ Departmental Profile
Department of English,
Jorhat College (Amalgamated) — Mr. Subhrajyoti Chanda।। ২৯৮
◆ Department of Philosophy in the
History of Jorhat College — Dr. Ranjit Bhattacharyya।।৩০০
◆ সমাজতত্ত্বৰ পলসুৱা ভূমিত জ্ঞানৰ সমলয় — ড° দিগন্ত কুমাৰ ফুকন।। ৩০৭
◆ An Outlook on the Research Works
of the Alumni of Jorhat College — Dr. Prashanta Puzari।। ৩১৭
◆ জেচিয়ানত প্ৰকাশিত
কিছু নিৰ্বাচিত কবিতাৰ পৰ্যালোচনা (খণ্ড-১) — ড° ৰঞ্জিত ভট্টাচাৰ্য ।।৩২০
◆ জেচিয়ান ঃযোৰহাট মহাবিদ্যালয় আলোচনী,
বিভিন্ন লেখা আৰু ইটো-সিটো — যুগল কিশোৰ গগৈ।। ৩২৫

**সোঁৱৰণিৰ সমলয়**

◆ যোৰহাট কলেজ ঃ *স্মৃতি, আৱেগ আৰু অনুভৱ* — ড° প্ৰভাত চন্দ্ৰ সভাপণ্ডিত।। ৩২৯
◆ মোৰ স্মৃতিত যাঠী বছৰীয়া যোৰহাট কলেজ — প্ৰবীৰ কুমাৰ বৰা ।। ৩৩২
◆ My Association with Jorhat College — Dr. Deban Ch. Baruah ।।৩৩৫
◆ "যোৰহাট মহাবিদ্যালয়" মোৰ কাৰ্যকালক সুঁৱৰি — ড° পঞ্চানন বৰঠাকুৰ।। ৩৩৮
◆ সোঁৱৰণীত যোৰহাট মহাবিদ্যালয় — ভৱানী কুমাৰ বৰুৱা।। ৩৪৪
◆ একক আৰু অনন্য ঃ যোৰহাট কলেজ — প্ৰিয়াঙ্কী শইকীয়া ।। ৩৪৭
◆ কলেজীয়া জীৱনৰ স্মৃতিৰ একাষাৰ — ৰাজু হাজৰিকা শইকীয়া।। ৩৪৯
◆ হেৰোৱা অতীতক খন্তেক সুঁৱৰিম বুলি — ডাঃ প্ৰদীপ দত্ত, চিকিৎসক।। ৩৫১
◆ স্মৃতিৰ জলঙাৰে যোৰহাট কলেজ — প্ৰমোদ মহন্ত।। ৩৫৬
◆ Jorhat College:Sweet Memories of

## জেচিয়ানত প্ৰকাশিত

# কিছু নিৰ্বাচিত কবিতাৰ পৰ্যালোচনা (খণ্ড-১)

ড° ৰঞ্জিত ভট্টাচাৰ্য
মুৰব্বী, দৰ্শন বিভাগ, যোৰহাট মহাবিদ্যালয় (একত্ৰিত)

কবিতা হয়তো কঠিনতম কলা। কবিতা কি, সেই কথা কোৱাটো সহজ নহয়। ভিন্ন সময়ত ভিন্ন জনে কবিতাৰ সংজ্ঞা আগবঢ়াইছে। কোনোজনে কবিতাক আমাৰ হৃদয়ৰ অনুভূতিৰ স্বতঃস্ফূৰ্ত প্ৰকাশ বুলিছে।

কোনোজনে কবিতাক নিৰ্মিতি কলা আখ্যা দিছে। কবিতা কি কোৱাটো সহজ নহ'লেও এটা কথা ক'ব পাৰি যে অতীজৰে পৰা বৰ্তমানলৈকে কবিসকলে একেবোৰ বিষয়বস্তুক লৈয়ে কবিতা লিখি আহিছে। প্ৰেম-ঘৃণা, যুদ্ধ-শান্তি, মানুহৰ সীমাহীন দুখ-যন্ত্ৰণা, বিপ্লৱ, প্ৰকৃতি আদিবোৰেই অতীজৰে পৰা এতিয়ালৈকে কবিতাৰ বিষয়বস্তু। অৱশ্যে বিষয়বস্তু একে হ'লেও সময়ৰ লগে লগে কবিতাৰো ৰূপ সলনি হৈছে।

যোৰহাট মহাবিদ্যালয় (একত্ৰিত) ৰ আলোচনী জেচিয়ানৰ প্ৰথম সংখ্যাটি প্ৰকাশ হৈছিল ১৯৭০-৭১ চনতে। সম্পাদক আছিল অৰুণ দত্ত আৰু উপদেষ্টা আছিল প্ৰকাশ গোস্বামী। জেচিয়ানৰ সেই সংখ্যাটিত পৰৱৰ্তী কালৰ যশস্বী কবি সনন্ত তাঁতিৰ (মই এদল মানুহ দেখিছিলো) শীৰ্ষক এটি কবিতা প্ৰকাশ পাইছিল। সনন্ত তাঁতিৰ কবিতাত খাতি খোৱা মানুহৰ ওপৰত কৰা অন্যায়-অবিচাৰ, শোষণ-নিৰ্যাতনৰ বিৰুদ্ধে শক্তিশালী প্ৰতিবাদ দেখা যায়। তেখেতৰ কবিতাই অসমীয়া কবিতাৰ এটা শক্তিশালী ধাৰাক প্ৰতিনিধিত্ব কৰে। ছাত্ৰাৱস্থাতে লিখা এই কবিতাটোও তাৰ ব্যতিক্ৰম নহয়।

'এদিন মোৰ চকুত পৰিছিল
খাবলৈ নোপোৱা মানুহৰ
মৌন কংকালৰ ভগ্নস্তুপ
আৰু মই সিহঁতৰ মাজত দেখিছিলোঁ
মোৰ হৃদয়ৰ ৰুগ্ন বেদনা'
মই লগ পাইছিলোঁ মোক'

১৯৯০-৯১ চনৰ জেচিয়ানত দেৱব্ৰত মহন্তৰ 'মনত পৰেনে তৰুণ মন্ত্ৰী' শীৰ্ষক এটি শ্লেষাত্মক কবিতা প্ৰকাশ পাইছিল। 'পেৰদী' বুলি উল্লেখ কৰিলেও লেখাটো আমি কবিতা হিচাপেও চাব পাৰোঁ। কবিতাটো কবি নৱকান্ত বৰুৱাৰ 'বাৰিষাৰ ৰাতি তোমাৰ কবিক মনত পৰেনে অৰুন্ধতী' ৰ আৰ্হিত লিখা। অসম আন্দোলনৰ শ্বহীদৰ কেঁচা তেজৰ বিনিময়ত কৰা অসম চুক্তিৰ পাছৰ সময়খিনিত ৰজা হোৱা অসম চুক্তিৰ নেতাসকলে কিদৰে ৰাইজক পাহৰি নিজৰ স্বাৰ্থ পূৰণত ব্যস্ত হৈ পৰিছিল, সেই চিনাকি ছবিখন শ্লেষাত্মকভাৱে প্ৰকাশ কৰিছে।

'হাজাৰ জনৰ বুকুৰ তেজেৰে, নুবুজা চুক্তি

জনতাৰ মনত ৰামৰাজ্যৰ সেই অসীম স্ফূৰ্তি
মনত পৰেনে
তৰুণ মন্ত্ৰী?'

১৯৯৮-৯৯ বৰ্ষৰ জেচিয়ানৰ সম্পাদক আছিল বিষ্ণুব্ৰত শৰ্মা। জেচিয়ানৰ সেই সংখ্যাটিত কেইবাটাও উল্লেখযোগ্য কবিতা প্ৰকাশ পাইছিল। সেইকেইটা হ'ল- মৌচুমী চক্ৰৱৰ্তীৰ 'মই শান্তিৰ অসম্পূৰ্ণ উলংগ পৃষ্ঠা'। স্নেহা প্ৰিয়দৰ্শিনীৰ 'অবাধ্য সপোনত মোৰ', গংগামোহন মিলিৰ 'দিচাংমুখলৈ নিমন্ত্ৰণ'। মৌচুমী চক্ৰৱৰ্তীৰ কবিতাটিত প্ৰেমৰ কৰুণ পৰিণতিৰ বাস্তৱতা প্ৰকাশ পাইছে। কবিতাটোত বিচ্ছেদৰ যন্ত্ৰণা আৰু প্ৰেমাস্পদৰ পৰা আঁতৰি অহাৰ কঠিন সময়ৰ শক্তিশালী প্ৰকাশ দেখা যায়।

'মই যাম কঠিন শিলৰ সাকোঁৰ ওপৰেদি
তপত সূৰ্যক গচকি মই অগ্ৰসৰ হ'ম...'

স্নেহা প্ৰিয়দৰ্শিনীৰ কবিতাটো এটা আশাবাদী কবিতা। কবিতাটিত মৰুভূমি যেন হোৱা হৃদয়খন জীপাল কৰি তুলিবলৈ কাৰোবাৰ আগমনৰ ইংগিতময় ধ্বনি প্ৰতিধ্বনিত হৈছে।

'কবি,
কাহিনিও নক'বা মোক
কাৰ বাবে লিখিছা কবিতা
অবাধ্য সপোনত মোৰ
তোমাৰ কবিতাৰ তেজ:
মোৰ যে জেতুকাৰ দুহাত
মোৰ যে জেতুকাৰ দুহাত'

গংগামোহন মিলিৰ কবিতাটোত মিছিং জনজীৱনৰ চিনাকি ছবিখন আৰু সৰল গ্ৰাম্য জীৱনযাত্ৰাৰ বৰ সুন্দৰ ছবি এখন ফুটি উঠা দেখা যায়।

'হঁয়কলী চৰাই বিনাবলৈ
খেৰকটীয়াই খেৰ কাটিবলৈ
গোৱালে গৰু- ম'হ ৰাখিবলৈ
চাপৰি হেৰাই যোৱাৰ ইতিবৃত্ত।।
শস্যৰ অনিশ্চিত ভৱিষ্যত,
শুনিছানে কেতিয়াবা ভ্ৰাম্যমান পঢ়াশালীৰ কথা!'

২০০৬-০৭ বৰ্ষৰ জেচিয়ানত বসন্ত বৰাৰ 'সৰস্বতী পূজা' শীৰ্ষক এটি কবিতা প্ৰকাশ পাইছে। কবিতাটিত সোঁতৰ বিপৰীতে যোৱাৰ এক সচেতন প্ৰয়াস দেখা যায়। বৰ্তমান সময়ৰ সৰস্বতী পূজাৰ দৰে উৎসৱসমূহৰ বাস্তৱ ৰূপ কবিতাটিত সবলভাৱে প্ৰতিফলিত হৈছে।

'সৰস্বতী আহো বুলি নিজে আহিব নোৱাৰে
খাওঁ বুলি খাব নোৱাৰে পূজা
বিচাৰিব নোৱাৰে এডালো ধূপ,
সেয়ে সৰস্বতী জীৱিত নহয়,সৰস্বতী মৃত'

২০০৭-২০০৮, ২০০৮- ২০০৯ বৰ্ষৰ জেচিয়ান আলোচনীত যিসকল কবিৰ কবিতা প্ৰকাশ হৈছিল, তেখেতসকল হ'ল- স্বপ্নাজ্যোতি বৰা, পল্লৱ প্ৰতীম বৰা, মাধুৰ্য গগৈ, স্বপন শইকীয়া, গৌতম বেজবৰুৱা, ৰশ্মিৰেখা সোণোৱাল, মুনমী বৰা, চন্দ্ৰৰাম দাস, প্ৰাঞ্জল খাউণ্ড, আদিত্য ৰঞ্জন ভুঞা, চিত্ৰৰঞ্জন লাহন, চিৰঞ্জীৱ ডেকা, সংগীতা দাস, অনিতা দত্ত, সীমান্ত বৰা, জয়ন্তজিৎ নাথ, পুনম গগৈ।

স্বপ্নাজ্যোতি বৰাৰ 'শূন্য কেনভাছ' কবিতাটিৰ ভাৱ-ভাষা সুন্দৰ। কবিতাটিত জীৱনৰ কঠিন বাস্তৱ প্ৰকাশ পাইছে।কবি আশাবাদী হ'ব খুজিও কঠিন বাস্তৱৰ নিৰ্মম অভিজ্ঞতাই যেন তেওঁক জীৱনৰ প্ৰতি নিৰাশবাদী কৰি তুলিছে।



Scanned with OKEN Scanner

'এতিয়া বাৰু কি গছ গজিব
মদৰুবা সেই পথাৰখনত
গজিবনে শইচ?'

পল্লৱ প্ৰতীম বৰাৰ 'মোৰ মনৰ পদুলিত অচিন চৰাইজাকে কুৰুলিয়াইছে' শীৰ্ষক কবিতাটি এটি প্ৰেমৰ কবিতা। প্ৰেমৰ শাশ্বত অনুভৱে কবি মন পোহৰাই তুলিছে। আন্ধাৰ আঁতৰি জোনাক নামিছে।

'মোৰ মনৰ পদুলিত সন্ধিয়া
এজাক অচিন চৰায়ে কুৰুলিয়াইছে
সেই কুৰুলিত
অমাৱশ্যাৰ আন্ধাৰবোৰ ক্ৰমাৎ
জোনাকৰ দৰে তিৰবিৰাইছে....'

মাধুৰ্য গগৈৰ 'নীৰৱ মন মোৰ' কবিতাটিত যৌৱনৰ আৰম্ভণিতে মনলৈ অহা একধৰণৰ অস্থিৰতা প্ৰকাশ পাইছে। ল'ৰালিৰ নিৰ্দোষ ধেমালি আৰু যৌৱনকালৰ আৰম্ভণিৰ মাজৰ একধৰণৰ দ্বন্দ্ব প্ৰকাশিত হৈছে।

'নীৰৱ মন মোৰ,
কল্পনা সপোনবোৰ
থমকি ৰয়।
দুচকুৰ পতাত
সীমাহীন গতিৰে;
চকুলো নিগৰে...'

স্বপন শইকীয়াৰ 'শৰতৰ পুৰাবোৰ' কবিতাটিত কেৱল শৰতৰ সৌন্দৰ্যৰ বৰ্ণনা নাই। কবিতাটিৰ প্ৰথমৰ ফালে শৰতৰ সতে কবিৰ একাত্মতা প্ৰকাশ পাইছে। শেষৰ অংশটিত বাস্তৱৰ কঠোৰতা আৰু শৰতৰ নিৰ্মল সৌন্দৰ্যৰ মাজৰ দ্বন্দ্ব প্ৰকাশ পাইছে।

'শৰতৰ কাহিলি পুৱাৰ নিয়ৰত
তিতি থকা দুবৰিবোৰ
মোৰ বৰ আপোন....'

কিন্তুৰ পিছৰ ফালে কবিয়ে লিখিছে-
'আৰু সেই যে নিয়ৰবোৰ
এতিয়াও সৰে
কিন্তু
দুবৰিৰ পাতত নহয়,
অনিচ্ছাসত্ত্বেও সিহঁত সৰে
দামী-নামী বৰ্ণময়
মাৰ্বল ফলকৰ নিমজ পিঠিত
অশ্ৰুৰ দৰে...'

গৌতম বেজবৰুৱাৰ 'ভালপোৱা' শীৰ্ষক কবিতাটি এটি প্ৰেমৰ কবিতা। কবিতাটিত কিছু ৰহস্যবাদী চিন্তাৰ মাজেৰে প্ৰেমৰ স্বৰূপ বুজিবলৈ চেষ্টা কৰা হৈছে।

'ভালপোৱা'
নিশাৰ আকাশৰ ৰহস্যঘন স্থিতিৰ দৰে,
বুজা নুবুজাৰ যেন এটি জটিল সাঁথৰ'

২০১১-১২ বৰ্ষৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সংখ্যাটিৰ জেচিয়ানত অসমৰ এজন বিশিষ্ট কবি যোৰহাট মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ গংগামোহন মিলিৰ 'ইমান ধুনীয়া ফুল' শীৰ্ষক এটি কবিতা প্ৰকাশ পাইছে। কবিতাটোত মানৱ মনৰ চিৰন্তন দ্বন্দ্ব, অহংকাৰ, প্ৰেম, বিষাদ নানাৰঙী ফুলবোৰৰ মাজৰ কথোপকথনৰ মাজেৰে প্ৰকাশ কৰাইছে।

'আজাৰে বিমৰ্ষ বদনে ক'লে

প্ৰতাৰিত প্ৰেমিকৰ অতি প্ৰিয়!
সোণাৰুৱে সোণ-ৰূপৰ মুখেৰে ক'লে
পাগল কবিৰ আটাইতকৈ প্ৰিয়'

একেখন জেচিয়ানতে যোৰহাট মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ জ্যেষ্ঠা অধ্যাপিকা অণিমা নেওগৰ 'ইও এদিন অতীত হ'ব' শীৰ্ষক এটি কবিতা প্ৰকাশ পাইছে। কবিতাটিত কবি মনৰ অতীত-প্ৰীতি আৰু স্মৃতি-কাতৰতা প্ৰকাশিত হৈছে। লগতে অতীতৰ সুৰীয়া সময় আৰু বৰ্তমানৰ সময়ৰ মাজত এক দ্বন্দ্বও কবিতাটিত প্ৰতিফলিত হৈছে-

'আমৰ ডেউকাযোৰ তাহানিতে সুলকিল,
উভালি পৰিল উৰ্বৰতাৰ মৌকোঁহ
খহিল শালীনতাৰ ফটা সাজটি
গৈ থাকোঁ অহা বাটেদি অলক্ষিতে....'

আন এজন প্ৰাক্তন ছাত্ৰ, বৰ্তমান সময়ৰ প্ৰতিষ্ঠিত কবি অশান্ত ৰাতুল দত্তৰ 'পোহৰ ল'লোঁ তোমাৰ পৰা' কবিতাটিত পোহৰ আৰু আন্ধাৰৰ চিৰন্তন দ্বন্দ্ব প্ৰকাশ পাইছে। কবিতাটিত আন্ধাৰত পোহৰৰ প্ৰয়োজন বুলি কৈও কবিয়ে আন্ধাৰৰ নিজস্ব পোহৰ থাকে বুলি কোৱা কথাষাৰে গভীৰ তাৎপৰ্য বহন কৰিছে।

'আন্ধাৰত পোহৰ লাগে
যদিও থাকে আন্ধাৰৰ নিজস্ব পোহৰ'

একেখন আলোচনীতে যোৰহাট মহাবিদ্যালয়ৰ কাৰ্যালয় সহায়ক মোহন দত্তৰ 'আকাশৰ কথা' শীৰ্ষক এটি কবিতা প্ৰকাশ পাইছিল। কবিতাটিত মানুহৰ শোষণ-নিৰ্যাতনৰ ফলত প্ৰকৃতিয়ে কিদৰে নিজৰ ৰং-ৰূপ হেৰুৱাই পেলাইছে, সেই ছবিখন শক্তিশালী ৰূপত ফুটি উঠিছে। অতিমাত্ৰা প্ৰদূষণৰ ফলস্বৰূপে আকাশেও স্বাভাৱিক ৰং হেৰুৱাই পেলাইছে। কবিৰ এই কবিতাটিক বৰ্তমান সময়ৰ (Eco-poetry) পাৰিপাৰ্শ্বিক কবিতাৰ শাৰীতো পেলাব পাৰি।

২০১৩-১৪ বৰ্ষৰ জেচিয়ানত এজন বিশিষ্ট কবি জেতবন বৰুৱাৰ 'অনামিকা, কাব্যদিনত প্ৰকাশ পালে পঢ়িবা এই কবিতা' শীৰ্ষক এটি কবিতা প্ৰকাশ পাইছিল। কবিতাটি ওপৰে ওপৰে চালে প্ৰেমৰ কবিতা যেন ভাৱ হয় যদিও কবিতাটিৰ দাৰ্শনিক গভীৰতা আছে। 'অনামিকা' ক কোৱাৰ চলেৰে কবিয়ে জীৱনৰ কিছু কঠিন অথচ বাস্তৱ অভিজ্ঞতাক কাব্যৰূপ দিছে। কবিতাটিত শিপাক নেহেৰুৱাবলৈ কৰা আহ্বানো প্ৰতিধ্বনিত হৈছে-

'জখলা বগাব পৰা মানুহবোৰে পাহাৰো বগাব পাৰে
পাহাৰ বগাবলৈ শিকি জখলাক পাহৰে কিদৰে?'

একেখন আলোচনীতে যোৰহাট মহাবিদ্যালয়ৰ অসমীয়াৰ অধ্যাপক, কবি ড° জ্যোতিৰ্ময় বৰদলৈয়ে কৰা গুলজাৰৰ এটি কবিতাৰ অসমীয়া অনুবাদ প্ৰকাশ পাইছে। কবিতাটিৰ নাম হ'ল 'সমাধি'।

কবিতাটিত চিৰন্তন সত্য মৃত্যুৰ চেতনা প্ৰতিধ্বনিত হৈছে। 'সমাধি' নামটোৱেই যেন মৃত্যুৰ সমাৰ্থক। অৱশ্যে বৌদ্ধ দৰ্শনৰ দৰে দৰ্শনত সমাধিৰ অৰ্থ বেলেগ যদিও সাধাৰণ মানুহৰ বাবে সমাধি জীৱনৰ কৰুণ পৰিণতিৰ প্ৰতীক। সমাধিৰ অভ্যন্তৰণত হা-হুমুনিয়াহ, প্ৰেম-ঘৃণা, অভাৱ-অভিযোগ একো নাথাকে। আপত্তি কৰিবলৈও একো নাথাকে। কবিতাটিৰ অনুবাদ খুব মসৃণ।

'কিছুমান মানুহে কিদৰে নিঃশব্দে
মৃত্যু সাৰটি লয়হি ইয়াত-
শৰীৰৰ শীতলতা সদৃশ
কবৰৰ অভ্যন্তৰৰ নিশ্চিদ্ৰ অন্ধকাৰ!'



Scanned with OKEN Scanner

২০১৫-১৬ চনৰ জেচিয়ানত অসমৰ এজন জনপ্ৰিয় কবি প্ৰণৱ বৰ্মনৰ 'মোৰ প্ৰেমৰ ৰথীয়া তুমি' আৰু কৰ্ণপ্ৰেম শীৰ্ষক দুটা কবিতা প্ৰকাশ পাইছিল। প্ৰথমটো কবিতা প্ৰেমৰ আশাবাদী কবিতা-

'তোমাৰ সতে আকৌ আৰম্ভ কৰোঁ
ছনমাটিৰ চহ আৰু সোণালী শীহৰ
তোমাৰ সীমা ভাঙি তোমাৰ ভিতৰতে তোমাক
নিৰ্মাণ কৰোঁ...'

'কৰ্ণপ্ৰেম' শীৰ্ষক কবিতাত 'কৰ্ণ'ক প্ৰতীক হিচাপে লৈ কবিয়ে জীৱনৰ দুখ-যন্ত্ৰণা, প্ৰতাৰণা, দুৰ্দশাক সবল ৰূপত চিত্ৰায়িত কৰিছে।

'হে বিভাজ্য প্ৰণয়িনী
অহংকাৰ ৰহিত মাটিত কাণ পাতি শুনা
এটি গুবৰুৱা পাখিৰ কঁপনি'

একেখন আলোচনীতে অতিথি কবি ৰণ্‌জিত গগৈৰ 'কবিতা' শীৰ্ষক এটি কবিতা আৰু অতিথি কবি প্ৰাঞ্জল কুমাৰ লাহনৰ 'মহানগৰ' শীৰ্ষক এটি কবিতা প্ৰকাশ পাইছিল। ৰণ্‌জিত গগৈয়ে তেখেতৰ কবিতাটিত নিজা একক শৈলীৰে আইৰ মমতাময়ী ৰূপ চিত্ৰায়িত কৰিছে। তেখেতৰ কবিতাত সুৱদী-সুৱীয়া অসমীয়া ভাষাটো বৰ প্ৰাণৱন্ত ৰূপত প্ৰতিভাত হোৱা দেখা যায়-

'আইৰ জেঙেৰা মাতত যি
মৰম আৰু ভালপোৱা লাগি থাকে
আন ক'তো নাথাকে তাৰ তিতিকি তিতিকি
মিঠা সোৱাদ'

'মহানগৰ' কবিতাটিৰ প্ৰথমৰ ফালে কবি-মন আৰু মহানগৰীয়া জীৱনৰ মাজৰ এক দ্বন্দ্ব দৃষ্টিগোচৰ হয়। অৱশ্যে শেষৰ ফালে মহানগৰখনত পৰিস্থিতিৰ তাগিদাত কবিয়ে যেন যন্ত্ৰণাদগ্ধ হৈয়ো একুৰাবিয়ামৰ মাছৰ দৰে জীয়াই থাকিবলৈ বিচাৰিছে।

'মহানগৰ মহানগৰ মায়াৰ নগৰ
ইয়াৰ প্ৰতি পল অনুপলে
একুৱাৰিয়ামত বন্দী মাছে দৰে
ছটফটাই ছটফটাই থাকিব পাৰে জীৱন...'

১৯৭০-৭১ চনৰ পৰা বৰ্তমানলৈকে সবল ৰূপত আত্মপ্ৰকাশ কৰি থকা 'জেচিয়ান' ত বহু সময়ত বহু প্ৰতিভাধৰ কবিৰ কবিতা প্ৰকাশিত হৈছে। পৰৱৰ্তী সময়ত বহু কবি সমাদৃত হৈছে, সন্মানিত হৈছে। এই একেবাৰে সংক্ষিপ্ত আলোচনাটিত কেইজনমান কবিৰ কবিতাহে সামৰি লোৱা হৈছে। পৰৱৰ্তী সময়ত এই আলোচনাটিত স্থান নোপোৱা কবিতাসমূহো সামৰি ল'বলৈ চেষ্টা কৰা হ'ব। বহু সীমাবদ্ধতাৰ মাজতো এই আন্তৰিক প্ৰয়াস নিৰন্তৰ চলি থাকিব বুলি আশা এটি মনত পুহি ৰাখিছোঁ।

জয়তু জেচিয়ান

জয়তু যোৰহাট মহাবিদ্যালয় (একত্ৰিত)।♦